অসম

সোনাইৰূপাই অভয়াৰণ্যত অস্ত্রসহ পাঁচ চোৰাং চিকাৰী গ্রেপ্তাৰ

শোণিতপুৰৰ সোনাইৰূপাই অভয়াৰণ্যৰ গেলগেলি অঞ্চলত বন বিভাগৰ অভিযানত হাতে সজা বন্দুকসহ পাঁচজন চোৰাং চিকাৰীক গ্রেপ্তাৰ কৰা হৈছে।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, নিশা ৭:৫৮



Five poachers held with firearm in Sonai Rupai sanctuary (AI)

শোণিতপুৰ: সোনাইৰূপাই অভয়াৰণ্যত বন বিভাগে অভিযান চলাই অস্ত্রসহ পাঁচজন চোৰাং চিকাৰীক গ্রেপ্তাৰ কৰিছে।

কালামটি বনাঞ্চলিক বিষয়াৰ নেতৃত্বত বনৰক্ষীৰ এটা দলে অভয়াৰণ্যখনৰ গেলগেলি নামৰ দুর্গম অঞ্চলত অভিযান চলাই পাঁচজনক গ্রেপ্তাৰ কৰে। ধৃত লোককেইজনে দীর্ঘদিন ধৰি বনৰীয়া জীৱ-জন্তু চিকাৰ কৰি আহিছিল বুলি বন বিভাগে জনাইছে।

ধৃত চোৰাং চিকাৰীকেইজনৰ পৰা এটা হাতেসজা খাজা বন্দুক আৰু চোকা অস্ত্র জব্দ কৰা হৈছে। জব্দ কৰা বন্দুকটো হাপন চৰেণ নামৰ লোকজনৰ বুলি জানিব পৰা গৈছে।

গ্রেপ্তাৰ হোৱা আন চাৰিজন হ'ল তালা চৰেণ, মন্টি মুর্মু, চামাটো চৰেণ আৰু মংগল হাছদা।

উল্লেখ্য যে, কিছুদিন পূর্বে বনমন্ত্রী জয়ন্ত মল্ল বৰুৱাই সোনাইৰূপাই অভয়াৰণ্য পৰিদর্শন কৰি বেদখলকাৰী আৰু

চোৰাং চিকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি সতর্কবাণী দিছিল।

বন বিভাগে আটাইকেইজন অভিযুক্তকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1886/sonai-rupai-poachers-arrested-weapons